# শ্ৰমিকলৈ সন্মান এ পি জে চাহৰ



গুৱাহাটী ঃ এ পি জে চাহে যোৱা এপ্ৰিল আৰু মে'ৰ সময়ছোৱাত পাত ছিঙাৰ দক্ষতা, স্বাস্থ্য আৰু স্বচ্ছতাৰ উন্নত মানৰ সেৱাৰ বাবে ৯০ গৰাকী পাত ছিঙা শ্ৰমিক আৰু ২১ গৰাকী কাৰখানাৰ শ্ৰমিকক শ্ৰেষ্ঠ প্লাকাৰ বঁটা আৰু ফেক্টৰী ষ্টাৰ বঁটাৰে সন্মানিত কৰিছে। পৰৱৰ্তী পৰ্যায়ত সন্মান লাভ কৰা এই শ্ৰমিকসকলে ২০১৯ ৰ ছিজন চেম্পিয়নৰ ২৩ টা পদৰ বাবে এ পি জে চাহ চেয়াৰমেন ট্ৰফীত প্ৰতিদ্বন্দ্বিতা কৰিব পাৰিব। যোৱা ৪ জুলাইত উজনি অসমৰ খোবং চাহ বাগিচাত শ্ৰমিকসকলক এই পুৰস্কাৰ প্ৰদান কৰি আছাম ফ্ৰণ্টিয়াৰৰ বাগিচা পৰিচালক আৰু কোম্পানী ডি জি এম দেৱাশিস বৰুৱাই কয়— 'আমাৰ প্ৰতিষ্ঠানটোৱে মাহিলি আৰু দুমহীয়া ভিত্তিত শ্ৰমিকক তেওঁলোকৰ দক্ষতাৰ বাবে স্বীকৃতি প্ৰদান কৰি আহিছে।'